**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-02-2026 **Time :** 1340 Hrs.

## *Assamese Midday Bulletin*
## *HEADLINES*

১। ভাৰত আৰু আমেৰিকা যুক্তৰাষ্টই নতুন দিল্লীত কৃত্ৰিম বুদ্ধিমত্তা সন্মিলনত পেক্স ছিলিকা ঘোষণা পত্ৰত স্বাক্ষৰ কৰে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নতুন দিল্লীৰ সেৰা তীৰ্থত কৃত্ৰিম বুদ্ধিমত্তা আৰু ষ্টাৰ্টআপৰ মুখ্য কাৰ্যবাহী বিষয়াসকলৰ সৈতে এখন ঘূৰণীয়া মেজমেলত ভাগ লয়।

৩। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ দুদিনীয়া ভ্ৰমণসূচীৰে আজি অসমৰ কাছাৰত উপস্থিত হয়।

৪। অৰুণাচল প্ৰদেশ আৰু মিজোৰামৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহে ৰাজ্য দুখনৰ জনসাধাৰাণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

আৰু

৫। আই চি চি টী-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি শ্ৰীলংকাৰ পাল্লেকেলে ষ্টেডিয়ামত হ'বলগীয়া লীগ পৰ্যায়ৰ অন্তিমখন খেলত অষ্ট্ৰেলিয়া ওমানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

ভাৰত আৰু আমেৰিকা যুক্তৰাষ্টই আজি নতুন দিল্লীত কৃত্ৰিম বুদ্ধিমত্তা সন্মিলনত পেক্স ছিলিকা ঘোষণা পত্ৰত স্বাক্ষৰ কৰে। এই ঘোষণা পত্ৰই গুৰুত্বপূৰ্ণ খনিজ সম্পদ আৰু ছেমিকণ্ডাক্তৰ উৎপাদন আৰু দ্ৰুতগতিত বিকশিত কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ষেত্ৰখনত সহযোগিতা অধিক শক্তিশালী কৰিব। ইয়াৰ জৰিয়তে সুৰক্ষিত আৰু শক্তিশালী আন্তঃৰাষ্ট্ৰীয় ছিলিকন আৰু প্ৰযুক্তিগত পৰিস্থিতিতন্ত্ৰৰ নিৰ্মাণতো সহায় হ'ব। অনুষ্ঠানত উপস্থিত থাকি কেন্দ্ৰীয় ইলেক্টনিক্স আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে ছেমিকণ্ডাক্টৰ আৰু ইলেক্টনিক্স উদ্যোগত অগ্ৰনি ভূমিকা গ্ৰহণ কৰাটোৱে ভাৰতৰ লক্ষ্য। তেওঁ কয় যে ভাৰতৰ প্ৰতিভাশালী অভিযন্তাসকলে সকলোতকৈ জটিল আৰু উন্নত ২ নেন'মিটাৰৰ **চিপচ**ৰ আৰ্হি প্ৰস্তুতৰ কাম অব্যাহত ৰাখিছে। মন্ত্ৰীগৰাকীয়ে লগতে জানিবলৈ দিয়ে যে ছেমিকণ্ডাক্টৰ উদ্যোগত ১০ লাখতকৈ অধিক প্ৰতিভাশালী লোকৰ প্ৰয়োজন আৰু দেশৰ দক্ষ মানৱ সম্পদৰ জৰিয়তে এই প্ৰয়োজন পূৰণ কৰা হ'ব। শ্ৰী বৈষ্ণৱে কয় যে ৩২৫ খন মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থীয়ে এই **চিপচ**সমূহৰ আৰ্হি প্ৰস্তুত কৰি আছে।

ঘোষণা পত্ৰ স্বাক্ষৰ অনুষ্ঠানত ভাৰতত থকা আমৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰদূত চৰ্জিঅ' গৌৰে কয় যে ব্যৱসায়িক চুক্তি, পেক্স ছিলিকা ঘোষণা পত্ৰ, প্ৰতিৰক্ষা সহযোগিতা আদিৰ বাবে উভয়দেশৰ মাজৰ সহযোগিতাৰ সুযোগ আৰু অধিক বৃদ্ধি পাইছে। এই ঘোষণা পত্ৰই মুক্ত বাণিজ্যক অধিক শক্তিশালী কৰিব বুলিও তেওঁ উল্লেখ কৰে।

০০০০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ অৰ্থনৈতিক পৰিক্ৰমা সচিব জেকব হেলবাৰ্গে ভাৰত আৰু আমৰিকা যুক্তৰাষ্ট্ৰৰ মাজত স্বাক্ষৰিত এই ঘোষণা পত্ৰই উদ্ভাৱন আৰু অংশীদাৰিত্বৰ জৰিয়তে ভৱিষ্যৎ গঢ়াৰ ক্ষেত্ৰত দেশ দুখনৰ মাজত উমৈহতীয়া প্ৰতিশ্ৰুতিবদ্ধতাক প্ৰতিফলিত কৰিছে বুলি উল্লেখ কৰিছে। তেওঁ এই ঘোষণা পত্ৰক কেৱল এখন চুক্তি নহয়, ভৱিষ্যৎ গঢ়াৰ ৰূপৰেখা বুলি উল্লেখ কৰে। বিকশিত প্ৰযুক্তিৰ ক্ষেত্ৰখনত ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজত বৃদ্ধি পাই অহা সহযোগিতাৰ কথা উল্লেখ কৰি শ্ৰীহেলবাৰ্গে কয় যে উভয়দেশে কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ষেত্ৰত উদ্ভাৱনমুখী দৃষ্টিভংগী গ্ৰহণ কৰিছে।

ooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত সেৱা তীৰ্থত কৃত্ৰিম বুদ্ধিমত্তা আৰু ষ্টাৰ্টআপৰ মুখ্য কাৰ্যবাহী বিষয়াসকলৰ সৈতে এখন ঘূৰণীয়া মেজমেলত ভাগ লয়। বৈঠকত কৃষি, পৰিৱেশ সুৰক্ষা আৰু মাতৃভাষাত উচ্চ শিক্ষা প্ৰদান কৰাৰ ক্ষেত্ৰত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰযুক্তি ব্যৱহাৰৰ সম্ভাৱনীয়তাৰ বিষয়ে আলোচনা কৰা হয়। শ্ৰীমোদীয়ে শক্তিশালী তথ্য ব্যৱস্থাপনাৰ উপৰত গুৰুত্ব আৰোপ কৰে। শ্ৰী মোদীয়ে ভুৱা তথ্যৰ ক্ষেত্ৰত সাৱধানতা অৱলম্বন কৰাৰ লগতে দেশৰ প্ৰয়োজন অনুসৰি সমাধান বিকশাই তোলাৰ বাবেও আহ্বান জনায়। তেওঁ মহাকাশ ক্ষেত্ৰত ব্যক্তিগত অংশীদাৰিত্ব বৃদ্ধি কৰাৰ গুৰুত্ব আৰোপ কৰাৰ লগতে ভাৰতৰ ষ্টাৰ্টআপৰ প্ৰতি বিনিয়োগকাৰীসকল আগ্ৰহী বুলিও উল্লেখ কৰে।

ooooooooo

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে নতুন দিল্লীত চলি থকা কৃত্ৰিম বুদ্ধিমত্তাত অংশগ্ৰহণ কৰা কেইবাগৰাকীও মুখ্য কাৰ্যবাহী বিষয়া আৰু প্ৰতিনিধিৰ সৈতে আজি আলোচনাত মিলিত হয়। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰীৰাধাকৃষ্ণণে কয় যে বৈঠকত স্বাস্থ্য সেৱা, শিক্ষা, নিয়োগ আদিৰ ক্ষেত্ৰত কৃত্ৰিম বুদ্ধিমত্তাৰ পৰিৱৰ্তনশীল সামৰ্থ্যৰ বিষয়ে আলোকপাত কৰা হয়। বৈঠকত ভাৰতত কৃত্ৰিম বুদ্ধিমত্তাৰ উদ্ভাৱন আৰু ব্যৱহাৰ সন্দৰ্ভতো আলোচনা কৰা হয়। উপ-ৰাষ্ট্ৰপতিয়ে কয় যে ভাৰতত কৃত্ৰিম বুদ্ধিমত্তাৰ সন্মিলন আয়োজন কৰাটো প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এটা গুৰুত্বপূৰ্ণ পদক্ষেপ। শ্ৰীৰাধাকৃষ্ণণে লগতে কয় যে এই সন্মিলনে গোলকীয় কৃত্ৰিম বুদ্ধিমত্তাৰ দৃশ্যপটত ভাৰতৰ ভূমিকাক অধিক গুৰুত্বপূৰ্ণ কৰি তুলিব।

ooooooooo

বিজ্ঞান নিৰ্ভৰ প্ৰশাসন কেৱল প্ৰগতিৰ দিশত বাধা নহয়, বৰঙ ই সমস্যা সমাধানৰ ক্ষেত্ৰত বৰঙনিহে যোগায়। ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান এণ্টনিঅ' গুটেৰেছে আজি নতুন দিল্লীত অনুষ্ঠিত ভাৰত কৃত্ৰিম বুদ্ধিমত্তা শীৰ্ষ সন্মিলন ২০২৬ত অংশগ্ৰহণ কৰি এইদৰে কয়। তেওঁ কয় যে বিজ্ঞান নিৰ্ভৰ প্ৰশাসনৰ জৰিয়তে কিবোৰ ক্ষেত্ৰত কৃত্ৰিম বুদ্ধিমত্তাই ভালদৰে আৰু দ্ৰুতগতিত কাম কৰিব পাৰে সেইকথা চিনাক্ত কৰাত সহায় কৰে।

ooooooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ দুদিনীয়া ভ্ৰমণসূচীৰে আজি অসমৰ কাছাৰত উপস্থিত হয়। ভ্ৰমণৰ প্ৰথম পৰ্যায়ত শ্ৰী শ্বাহে ৰাজ্যখনৰ কাছাৰ জিলাত ভাইব্ৰেণ্ট ভিলেজ কাৰ্যসূচীৰ দ্বিতীয় পৰ্যায় আনুষ্ঠানিকভাৱে মুকলি কৰে। এই কাৰ্যসূচীত সীমামূৰীয়া গাঁওসমূহৰ উন্নয়ন আৰু সীমান্তৱৰ্তী অঞ্চলৰ জনসাধাৰণৰ বাবে বহনক্ষম কৰ্মসংস্থাপন সৃষ্টিত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। ২০২৮-২৯ বিত্তীয় বৰ্ষ পৰ্যন্ত ৰূপায়ণ হ'বলগীয়া এই কাৰ্যসূচীৰ বাবে ছহেজাৰ ৮০০ কোটিৰো অধিক ধন ধাৰ্য কৰা হৈছে। এই কাৰ্যসূচীয়ে সীমান্তৱৰ্তী অঞ্চলৰ সুৰক্ষা সুনিশ্চিত কৰাৰ লগতে সীমান্তৰে হোৱা অপৰাধ নিয়ন্ত্ৰণ আৰু অভ্যন্তৰীণ সুৰক্ষা সুদৃঢ় কৰাত অৰিহণা যোগাব বুলি আশা কৰা হৈছে। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে লগতে ভাৰত-বাংলাদেশ

সীমান্তৱৰ্তী নাটানপুৰত থকা বি এছ্‌ এফৰ সীমান্ত চকী পৰিদৰ্শন কৰিব আৰু সীমান্তত কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণৰ অগ্ৰগতি আৰু সুৰক্ষা ব্যৱস্থাৰ  পৰ্যালোচনা কৰিব। তেওঁ এখন নিৰ্বাচনী সভাত ভাষণ দিব আৰু বৰাক উপত্যকাত দলৰ নিৰ্বাচনী প্ৰচাৰ অভিযানৰ শুভাৰম্ভ কৰিব। ইয়াৰ পাছতে শ্ৰীশ্বাহ ত্ৰিপুৰাৰ আগৰতলালৈ যাব আৰু সন্ধিয়া অসমলৈ উভতি আহিব।

শ্ৰী শ্বাহে কাইলৈ গুৱাহাটীৰ সৰুসজাইত চি আৰ পি এফৰ ৮৭ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ কথা। কেন্দ্ৰীয় বাহিনীটোৱে এইবাৰ প্ৰথমবাৰৰ বাবে উত্তৰ-পূৰ্বাঞ্চলত প্ৰতিষ্ঠা দিৱসৰ ৰাষ্ট্ৰীয় কুচ-কাৱাজৰ আয়োজন কৰিছে। তেওঁ লগতে সোণাপুৰৰ কচুতলীত দশম অসম আৰক্ষী বেটেলিয়নৰ নতুন ছাউনীৰ আধাৰশিলা স্থাপন কৰিব। গৃহমন্ত্ৰীগৰাকীৰ এই ভ্ৰমণকালত বিজেপিৰ নিৰ্বাচনকেন্দ্ৰিক মিত্ৰতা সন্দৰ্ভত চূড়ান্ত আলোচনা হোৱাৰ সম্ভাৱনা আছে।

০০০০০০০

অৰুণাচল প্ৰদেশ আৰু মিজোৰামৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহে ৰাজ্য দুখনৰ জনসাধাৰাণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে কয় যে প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ সংস্কৃতিৰ চহকী ৰাজ্য দুখনৰ অনন্য পৰম্পৰা আৰু উৎসৱ দেশৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ আহিছে। তেওঁ কয় যে মিজোৰামৰ সাক্ষৰতাৰ উচ্চ হাৰে ৰাজ্যখনৰ সামাজিক বিকাশৰ দিশ প্ৰতিফলিত কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এটা বাৰ্তাত অৰুণাচল প্ৰদেশক মানৱ আৰু প্ৰকৃতিৰ সমন্বয়ৰ শ্ৰেষ্ঠ উদাহৰণ বুলি উল্লেখ কৰাৰ লগতে মিজোৰামৰ সংস্কৃতি, সংগীত আৰু দৈনন্দিন জীৱনৰ বিভিন্ন দিশ অতি প্ৰেৰণাদায়ক। গৃহমন্ত্ৰী অমিত শ্বাহেও প্ৰতিষ্ঠা দিৱস উপলক্ষে ৰাজ্য দুখনে যাতে শান্তি, প্ৰগতি আৰু সমৃদ্ধিৰ দিশে আগবাঢ়ি যাব পাৰে তাৰে আশা কৰে।

০০০০০০০০০

সাংসদ ড০ ৰিকি এণ্ড্ৰিউ জে চ্যাংকনৰ মৃত্যুৰ পৰিপ্ৰেক্ষিতত মেঘালয় বিধানসভাৰ অধ্যক্ষই আজি সদনৰ সকলো কাৰ্যসূচী বাতিল কৰিছে। কালি মৃত্যু হোৱা ৰিকি এণ্ড্ৰিউৰ শ্বিলঙৰ পৰা সাংসদ হিচাপে লোকসভালৈ নিৰ্বাচিত হৈছিল। পূৰ্বৰ সময়সূচীৰ মতে মেঘালয় বিধানসভাত আজি বাজেট দাখিল কৰাৰ কথা আছিল।

সদনত বিধানসভাৰ দিনটোৰ কাৰ্যসূচী বাতিলৰ ঘোষণা কৰি অধ্যক্ষ থমাছ্‌ এ চাংমাই কয় যে সাংসদগৰাকীৰ প্ৰতি সন্মান জনাই সদনৰ আজিৰ সকলো কাৰ্যসূচী বাতিল কৰা হৈছে। তেওঁ কয় যে পৰৱৰ্তী সময়ত সংশোধিত কাৰ্যসূচী প্ৰতিগৰাকী সদস্যৰ মাজত বিতৰণ কৰা হ'ব। উল্লেখযোগ্য যে কালি সন্ধিয়া হঠাৎ হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ সাংসদ ড০ চ্যাংকনৰ মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৫৪ বছৰ। পিপ্‌ল পাৰ্টীৰ এগৰাকী বিশিষ্ট নেতা ড০ চ্যাংকনে শ্বিলং সংসদীয় সমষ্টিক প্ৰতিনিধিত্ব কৰি লোকসভালৈ নিৰ্বাচিত হৈছিল আৰু ৰাষ্ট্ৰীয় ৰাজনীতিত মেঘালয়ৰ বাবে তেওঁ এটা শক্তিশালী কণ্ঠ হিচাপে পৰিগণিত হৈছিল। তেওঁৰ আকস্মিক বিয়োগত মেঘালয়ত শোকৰ ছাঁ পৰে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী কনৰাড কে চাংমা আৰু অন্যান্য ভালেসংখ্যক নেতাই সাংসদগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে।

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে সাংসদগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীৰাধাকৃষ্ণণে কয় যে প্ৰয়াত সাংসদগৰাকী জনসাধাৰণৰ প্ৰতি দায়বদ্ধ আছিল আৰু তেওঁ

মেঘালয়ৰ জনসাধাৰণৰ কল্যাণৰ বাবে নিজকে উচৰ্গা কৰিছিল। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে সাংসদগৰাকীৰ পৰিয়াল, বন্ধু আৰু সমৰ্থকসকললৈ সমবেদনা জ্ঞাপন কৰে।

০০০০০০০

আই চি চি টী-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি শ্ৰীলংকাৰ পাল্লেকেলে ষ্টেডিয়ামত হ'বলগীয়া লীগ পৰ্যায়ৰ অন্তিমখন খেলত অষ্ট্ৰেলিয়া ওমানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। দুয়োটা দল ইতিমধ্যে প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে। গ্ৰুপ বিৰ পৰা জিম্বাবুৱে আৰু শ্ৰীলংকাই ছুপাৰ এইটত প্ৰৱেশ কৰিছে। ছুপাৰ এইটৰ খেলসমূহ কাইলৈৰ পৰা অনুষ্ঠিত হ'ব। কাইলৈ কলম্বোৰ আৰ প্ৰেমাদাসা ষ্টেডিয়ামত পাকিস্তান আৰু নিউজিলেণ্ড মুখামুখি হ'ব।

ভাৰতে অহা দেওবাৰে আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত চুপাৰ এইটৰ এখন খেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। টি টুৱেণ্টি বিশ্বকাপৰ ছেমি ফাইনেল খেলসমূহ অহা ৪ আৰু ৫ মাৰ্চত অনুষ্ঠিত হ'ব। অহা ৮ মাৰ্চত চূড়ান্ত প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

০০০০০০০

সমাপ্ত